RNI Regn. No- ASSASS/2011/38477

# অসমীয়া খবৰ

নিৰ্ভীক, নিৰপেক্ষ

গুৱাহাটী আৰু যোৰহাটৰ পৰা একে সময়তে প্ৰকাশিত ◻ যোৰহাট সংস্কৰণ ◻ মুঠ পৃষ্ঠা ১২

...১৯৩৪, ০৩৬১-২৪৭৭২৯১/২ পঞ্চদশ বছৰ সংখ্যা ১২৪ বৃহস্পতিবাৰ ৪ চ'ত ১৯৪৭ শক ১৯ মাৰ্চ ২০২৬ চন ASOMIYA KHABAR JORHAT THURSDAY 19 MAR

চিলিংগা
নাটনিৰ
ৰঙিয়াত
হোটেল
ৰেষ্টুৰে

### দে-বিদেশৰ অৰ্ধশতাধিক গৱেষকে পাঠ কৰিব গৱেষণা-পত্ৰ

## ডিব্ৰুগড় কানৈ কলেজত সাহিত্য সভাৰ আন্তঃৰাষ্ট্ৰীয় বুৰঞ্জী-দৰ্শন সন্মিলন

**ষ্টাফ্ ৰিপৰ্টাৰ, ডিব্ৰুগড়, ১৮ মাৰ্চ ঃ** ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয় (স্বায়ত্তশাসিত)-ৰ বুৰঞ্জী আৰু দৰ্শন বিভাগৰ উদ্যোগত অসম মহিলা বিশ্ববিদ্যালয়, ভাৰতীয় ইতিহাস সংকলন সমিতি আৰু ডিব্ৰুগড় সাহিত্য সভাৰ সহযোগত প্ৰথম অহা ৩১ মাৰ্চত ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয় (স্বায়ত্তশাসিত)-ত অনুষ্ঠিত কৰিব অসম সাহিত্য সভাৰ আন্তঃৰাষ্ট্ৰীয় বুৰঞ্জী আৰু দৰ্শন সন্মিলন। মহাবিদ্যালয়ৰ শ্ৰীমন্ত শংকৰদেৱ সভাকক্ষত অনুষ্ঠিত কৰিবলগীয়া আন্তঃৰাষ্ট্ৰীয় সন্মিলনৰ উদ্বোধনৰ সভাত আদৰণী ভাষণ প্ৰদান কৰিব কানৈ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° শশীকান্ত শইকীয়াই। অসম সাহিত্য সভাৰ সভাপতি ড° বসন্ত কুমাৰ গোস্বামীয়ে উদ্বোধন কৰিবলগীয়া আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ৰ সন্মিলনখনত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকিব ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড° জিতেন হাজৰিকা, অসম মহিলা বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড° অজন্তা ৰাজকোঁৱৰ, মাজুলী সাংস্কৃতিক বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড° নিৰোদ বৰুৱা, গুৱাহাটী বিশ্ববিদ্যালয়ৰ প্ৰাধ্যাপক ড° যোগেন চন্দ্ৰ কলিতা। অসম সাহিত্য সভাৰ প্ৰধান সম্পাদক দেৱজিৎ বৰাই বক্তব্য প্ৰদান কৰিবলগীয়া অনুষ্ঠানত কানৈ মহাবিদ্যালয়ৰ ৰুক্মিণী দেৱী কানৈ ছাত্ৰী নিৱাসৰ বাৰ্ষিক আলোচনী 'প্ৰতীতি' উন্মোচন কৰিব মহাবিদ্যালয়খনৰ পৰিচালনা সমিতিৰ সদস্য জ্যোতি প্ৰসাদ কানৈয়ে। সন্মিলনৰ পূৰ্ণাংগ সত্ৰত অধ্যক্ষ হিচাবে অংশ গ্ৰহণ কৰিব ভাৰতীয় ইতিহাস সংকলনৰ ৰাষ্ট্ৰীয় মহা সচিব হেমন্ত ধিং মজুমদাৰ, সহকাৰী অধ্যক্ষ ভাৰতীয় ইতিহাস সংকলন যোজনাৰ ৰাজ্যিক সভাপতি গজেন্দ্ৰ অধিকাৰীয়ে। সমল ব্যক্তি হিচাপে অনলাইন মাধ্যমত সংযুক্ত হ'ব অসম সাহিত্য সভাৰ গ্ৰেট ব্ৰিটেইন শাখাৰ সভাপতি গীতা বৰুৱা, জাৰ্মানীৰ শ্ৰীমন্ত ভূঞা, দক্ষিণ আফ্ৰিকাৰ ড° মুকুট গোহাঁই। সন্মিলনৰ লগত সংগতি ৰাখি বুৰঞ্জী বিষয়ৰ 'প্ৰাচীন অসমৰ ইতিহাস চৰ্চা ঃ সফলতা আৰু কৰণীয়' শীৰ্ষক আলোচনাত সমল ব্যক্তি হিচাপে অংশ গ্ৰহণ কৰিব মাজুলী সাংস্কৃতিক বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড° নিৰোদ বৰুৱা, শিৱসাগৰ বিশ্ববিদ্যালয়ৰ সহযোগী অধ্যাপক ড° ত্ৰিদিপ মহন্তই। মহাবিদ্যালয়খনৰ দৰ্শন বিষয়ৰ 'অসমীয়া সমাজ-জীৱনত শংকৰী দৰ্শনৰ প্ৰাসংগিকতা' শীৰ্ষক আলোচনাত সমল ব্যক্তি হিচাপে অংশ গ্ৰহণ কৰিব মৰিধল মহাবিদ্যালয়ৰ সহযোগী অধ্যাপক ড° ভৱানী চলিহাই। উল্লেখ্য যে দুয়োখন আলোচনা-সত্ৰত ত্ৰিশগৰাকীৰো অধিক গৱেষকে বিভিন্ন বিষয়ত গৱেষণা-পত্ৰ পাঠ কৰিব। আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ৰ এই সন্মিলন সাফল্যমণ্ডিত কৰিবলৈ উদ্যোক্তাসকলে সংশ্লিষ্ট সকলোৰে সহায়-সহযোগিতা, দিহা-পৰামৰ্শ আৰু উপস্থিতি কামনা কৰিছে। উল্লেখ্য যে অসম সাহিত্য সভাই মহাবিদ্যালয় অথবা বিশ্ববিদ্যালয়ত এই সন্মিলন আয়োজন কৰিবৰ বাবে উচ্চস্তৰীয় শৈক্ষিক সমিতি গঠন কৰি দিছিল। ইয়াৰ অংশ হিচাপে এই সন্মিলনখনৰ আয়োজন কৰা হৈছে

## শিৱসাগৰ জিলা সাহিত্য সভাৰ উদ্যোগত